# মনস্তাত্ত্বিক তত্ত্বৰ আধাৰত মণিকুন্তলা ভট্টাচাৰ্যৰ উপন্যাস ঃ এক বিশ্লেষণাত্মক অধ্যয়ন

## (নিৰ্বাচিত উপন্যাসৰ বিশেষ উল্লিখনসহ)

বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ
ভাষা শাখাৰ অন্তৰ্গত অসমীয়া বিভাগৰ অধীনত পিএইচ.ডি. ডিগ্ৰী প্ৰাপ্তিৰ
বাবে প্ৰদত্ত গৱেষণা গ্ৰন্থ


**পৰিস্মিতা মিশ্ৰ**
অসমীয়া বিভাগ
বড়োলেণ্ড বিশ্ববিদ্যালয়


২০২৩ চন

# উপসংহাৰ

"মনস্তাত্ত্বিক তত্ত্বৰ আধাৰত মণিকুন্তলা ভট্টাচাৰ্যৰ উপন্যাসঃ এক বিশ্লেষণাত্মক অধ্যয়ন (নিৰ্বাচিত উপন্যাসৰ বিশেষ উল্লিখনসহ)"—শীৰ্ষক বিষয়টো মুঠ ছয়টা অধ্যায়ত বিভক্ত কৰি আলোচনা কৰা হৈছে। আমি যিবোৰ উদ্দেশ্য লৈ গৱেষণা কৰ্ম আৰম্ভ কৰিছিলোঁ সেই উদ্দেশ্যসমূহ অধ্যায়সমূহত পৰিপূৰ্তি সাধন হৈছে। মণিকুন্তলা ভট্টাচাৰ্যৰ নিৰ্বাচিত দহখন উপন্যাস বিশেষভাৱে আলোচনাৰ আওঁতালৈ আনি অধ্যয়নৰ জৰিয়তে কেইবাটাও সিদ্ধান্তত উপনীত হ'ব পৰা গৈছে।

গৱেষণা গ্ৰন্থৰ অৱতৰণিকাত সাহিত্যত মনস্তাত্ত্বিক তত্ত্বৰ প্ৰৱেশৰ এটি চমু আভাস দাঙি ধৰি অসমীয়া উপন্যাস সাহিত্যত মণিকুন্তলা ভট্টাচাৰ্যৰ স্থিতিৰ এক অৱলোকন কৰা হৈছে। ইয়াৰ জৰিয়তে গৱেষণাৰ বিষয়বস্তু সম্পৰ্কত এক সম্যক ধাৰণা আগবঢ়োৱা হৈছে। লগতে গৱেষণাৰ উদ্দেশ্য, গৱেষণাৰ গুৰুত্ব, গৱেষণাৰ তথ্য সংগ্ৰহ তথা গৱেষণাৰ পদ্ধতি, গৱেষণাৰ পৰিসৰ, পূৰ্বকৃত অধ্যয়ন আদি বিষয়সমূহৰ আলোচনাৰ মাধ্যমেৰে গৱেষণা কৰ্মৰ ৰূপৰেখা নিৰ্দ্ধাৰণ কৰা হৈছে।

গৱেষণা গ্ৰন্থখনৰ প্ৰথম অধ্যায়ত সাহিত্যৰ মনস্তাত্ত্বিক তত্ত্বৰ এক তাত্ত্বিক বিচাৰ কৰা হৈছে। অধ্যায়টোৰ আৰম্ভণিতে মনস্তত্ত্ব কি আৰু মনস্তত্ত্ব সম্পৰ্কত প্ৰধান দাৰ্শনিক পণ্ডিতসকলে আগবঢ়োৱা ধাৰণাৰ আভাস দাঙি ধৰা হৈছে। আমাৰ গৱেষণা গ্ৰন্থখনত প্ৰধানভাৱে ছিগমাণ্ড ফ্ৰয়েড, কাৰ্ল গুস্তাভ ইয়ুং আৰু জ্যাক লাঁকাৰ মনস্তাত্ত্বিক তত্ত্বক তাত্ত্বিক আলোচনাৰ আধাৰ হিচাপে গ্ৰহণ কৰা হৈছে। সেয়েহে প্ৰথম অধ্যায়ত এই তিনিগৰাকী দাৰ্শনিক পণ্ডিতে মনস্তত্ত্ব সম্পৰ্কে আগবঢ়োৱা প্ৰধান সূত্ৰসমূহৰ আলোচনা কৰা হৈছে। লগতে এওঁলোকৰ মনস্তাত্ত্বিক তত্ত্বৰ আধাৰত বিভিন্ন প্ৰসংগত সাহিত্যৰ মনস্তাত্ত্বিক গুৰুত্ব বিচাৰ কৰা হৈছে।

দ্বিতীয় অধ্যায়ত মণিকুন্তলা ভট্টাচাৰ্যৰ জীৱন আৰু সাহিত্যকৃতিৰ অৱলোকন কৰা হৈছে। অধ্যায়টোত মণিকুন্তলা ভট্টাচাৰ্যৰ জীৱনৰ এক চমু পৰিচয় দাঙি ধৰাৰ লগতে মণিকুন্তলা ভট্টাচাৰ্যৰ সাহিত্যকৃতিৰ সামগ্ৰিক আলোচনা আগবঢ়োৱা হৈছে।

তৃতীয় অধ্যায়ত মণিকুন্তলা ভট্টাচাৰ্যৰ নিৰ্বাচিত উপন্যাসৰ বিষয়বস্তুৰ মনস্তাত্ত্বিক তাৎপৰ্য বিচাৰ কৰি চোৱা হৈছে। ঔপন্যাসিকাৰ নিৰ্বাচিত উপন্যাসত মনস্তাত্ত্বিক তত্ত্বৰ লগত জড়িত শৈশৱৰ অভিজ্ঞতা, অৱচেতন প্ৰৱণতা, অৱদমন, সপোনৰ প্ৰসংগ, ইলেক্ট্ৰা কমপ্লেক্স বিষয় হিচাপে প্ৰকাশ ঘটিছে। অধ্যায়টোত সন্তানৰ প্ৰসংগত নাৰী-পুৰুষৰ মনস্তত্ত্ব বিচাৰ কৰা হৈছে। বিভিন্ন

প্ৰসংগত চৰিত্ৰই সন্মুখীন হোৱা যৌন মনস্তাত্ত্বিক জটিলতাক উপন্যাসৰ অন্য এক বিষয় হিচাপে বিচাৰ কৰা হৈছে। মনস্তত্ত্বৰ সমাজতাত্ত্বিক দিশৰ আলোচনাত পৰিয়ালকেন্দ্ৰিক মতাদৰ্শ, পুৰুষতান্ত্ৰিক মতাদৰ্শ, অৰ্থনৈতিক কাৰকে ব্যক্তি মনস্তত্ত্বত পেলোৱা প্ৰভাৱ, প্ৰান্তীয়কৰণ, সমাজৰ শ্ৰেণী বৈষম্য, জাতি-ধৰ্মৰ প্ৰসংগ, অন্ধবিশ্বাস, সমাজ-সাংস্কৃতিক মতাদৰ্শগত কাৰকে গঢ় দিয়া উমৈহতীয়া ব্যক্তি মনস্তত্ত্ব, সামাজিক ঔচিত্যতা আদি বিষয়সমূহৰ লগত জড়িত মনস্তাত্ত্বিক ধ্যান-ধাৰণাৰ প্ৰকাশ ঘটিছে। উপন্যাসত প্ৰতিফলিত নাৰী চেতনাৰ মনস্তাত্ত্বিক বিশ্লেষণ দাঙি ধৰা হৈছে।

চতুৰ্থ অধ্যায়ত মণিকুন্তলা ভট্টাচাৰ্যৰ নিৰ্বাচিত উপন্যাসৰ চৰিত্ৰৰ মনস্তাত্ত্বিক অধ্যয়ন কৰা হৈছে। অধ্যায়টোত মনস্তাত্ত্বিক দৃষ্টিভংগীৰে চৰিত্ৰৰ একাকীত্ব, চৰিত্ৰৰ জৈৱিক তাড়না আৰু চৰিত্ৰৰ নৈতিকতাৰ মাজত হোৱা দ্বন্দ্ব, চৰিত্ৰৰ মৃত্যুস্পৃহা, চৰিত্ৰৰ জীৱনস্পৃহা, চৰিত্ৰৰ অস্বাভাৱিক আচৰণ, চৰিত্ৰৰ অতীত স্মৃতি আদি প্ৰসংগসমূহ বিশ্লেষণ কৰা হৈছে। বিভিন্ন প্ৰতিকূলতাৰ সন্মুখীন হৈও উপন্যাসৰ চৰিত্ৰসমূহৰ কিদৰে মানসিক উত্তৰণ ঘটিছে সেয়াও এই অধ্যায়ত আলোচনা কৰা হৈছে।

পঞ্চম অধ্যায়ত মণিকুন্তলা ভট্টাচাৰ্যৰ নিৰ্বাচিত উপন্যাসত ব্যৱহৃত আংগিক আৰু কলা-কৌশলৰ মনস্তাত্ত্বিক তাৎপৰ্য বিচাৰ কৰা হৈছে। অধ্যায়টোত মনস্তাত্ত্বিক দৃষ্টিভংগীৰে উপন্যাসৰ ভাষা, চেতনাস্ৰোত ৰীতি, উপকাহিনী, উপন্যাসত ব্যৱহৃত কবিতা, ৰূপাংগ আদি বিভিন্ন প্ৰসংগৰ অধ্যয়ন কৰা হৈছে। লগতে এই  অধ্যায়ত উপন্যাসসমূহৰ কথকৰ মনস্তাত্ত্বিক দিশো অধ্যয়ন কৰা হৈছে।

ষষ্ঠ অধ্যায়ত লেখক আৰু পাঠকৰ প্ৰসংগৰে মণিকুন্তলা ভট্টাচাৰ্যৰ নিৰ্বাচিত উপন্যাসৰ অধ্যয়ন কৰা হৈছে। উপন্যাস জীৱনৰ বিচিত্ৰ আৰু বাস্তৱ অভিজ্ঞতাৰ ফচল হোৱা বাবে ইয়াত লেখকৰ মনস্তত্ত্বৰো প্ৰকাশ ঘটে। এই দৃষ্টিভংগীৰে মণিকুন্তলা ভট্টাচাৰ্যৰ উপন্যাসতঔপন্যাসিকাৰ মনস্তত্ত্বক বিচাৰ কৰি চোৱা হৈছে। ঔপন্যাসিকাৰ অতীত অভিজ্ঞতা তথা বাস্তৱ অভিজ্ঞতা, পৰিয়াল চক্ৰৰ প্ৰসংগ, অৱচেতন প্ৰৱণতা, যৌন মনস্তাত্ত্বিক ধাৰণা আদিয়ে তেওঁৰদ্বাৰা সৃষ্ট উপন্যাসৰাজীৰ বিষয়বস্তু, ঘটনাক্ৰম, চৰিত্ৰৰ নিৰ্মিতি, ৰূপাংগত প্ৰভাৱ পেলাইছে। লেখকৰ সমান্তৰালভাৱে উপন্যাসৰ পাঠকৰ মনস্তত্ত্বকো এই অধ্যায়ত আলোচনাৰ আওঁতালৈ অনা হৈছে। ঔপন্যাসিকাই উপন্যাসৰ বিষয়বস্তু, চৰিত্ৰ, কথক, আদিৰ মাজেৰে বক্তব্য বিষয়সমূহ পাঠকৰ মনস্তত্ত্বত প্ৰভাৱ পেলোৱাকৈ পাঠকৰ ওচৰলৈ আগবঢ়াই দিছে। পাঠৰ লগত পাঠক নিবিড়ভাৱে সংলগ্ন হোৱাৰ ফলশ্ৰুতিত এইবোৰে পাঠকৰ মনস্তত্ত্বত প্ৰভাৱ বিস্তাৰ কৰাৰ বিষয়ে এই অধ্যায়ৰ অধ্যয়নে সামৰি লৈছে।

**অধ্যয়নৰপৰা প্ৰাপ্ত সিদ্ধান্ত ঃ**

আমাৰ গৱেষণাৰ অন্তত উপনীত হোৱা সিদ্ধান্তসমূহ এনেধৰণৰ—

ক) ফ্ৰয়েড, লাঁকা আৰু ইয়ুঙে আগবঢ়োৱা তত্ত্বৰ আধাৰত আমি মণিকুন্তলা ভট্টাচাৰ্যৰ উপন্যাসৰ আলোচনা কৰি নতুন অন্তৰ্দৃষ্টি লাভ কৰিব পাৰোঁ। শৈশৱৰ অভিজ্ঞতা, পৰিয়াল চক্ৰত লাভ কৰা অভিজ্ঞতা, যৌন মানসিকতা, অৱচেতন মনত অৱদমিত হৈ থকা আশা-আকাংক্ষা ইত্যাদি বিষয়বোৰে পৰৱৰ্তী সময়ত চৰিত্ৰবোৰৰ মনস্তত্ত্ব গঢ় দিয়াত প্ৰভাৱ পেলাইছে। চৰিত্ৰবোৰৰ বৰ্তমানৰ মানসিক আচৰণ তেওঁলোকৰ অতীত আৰু শৈশৱৰ অভিজ্ঞতাৰ সৈতে সংলগ্ন কৰি অধ্যয়ন কৰিব পৰা যায়।

খ) শৈশৱৰেপৰা সাহিত্য অধ্যয়নৰ প্ৰতি বিশেষ ৰাপ থকা মণিকুন্তলা ভট্টাচাৰ্য পৰৱৰ্তী সময়ত সাহিত্যিক হিচাপে আত্মপ্ৰকাশ কৰে। ঔপন্যাসিকা হিচাপে জনপ্ৰিয়তা অৰ্জন কৰা লেখিকাগৰাকীয়ে উপন্যাসৰ উপৰিও কবিতা, গল্প, শিশু সাহিত্য, অনুবাদ সাহিত্য, অন্যান্য আদি বিভিন্ন দিশৰ চৰ্চা কৰি অসমীয়া সাহিত্যৰ পথাৰখন সমৃদ্ধ কৰি তুলিছে। প্ৰান্তীয়কৃত শ্ৰেণীৰ উপস্থাপন, মানৱতাবাদ, নিস্পেষিতজনৰ প্ৰতি অনুকম্পা, বিষয়বস্তুৰ বৈচিত্ৰ্যতা, ভাষাৰ মাধুৰ্য্যতা, সহজ-সৰল উপস্থাপনশৈলী হৈছে তেওঁৰ সৃষ্টিশীল সাহিত্যৰাজীৰ অন্যতম বিশেষত্ব।

গ) সমাজতাত্ত্বিক প্ৰপঞ্চসমূহে ব্যক্তি মনস্তত্ত্ব গঢ় দিয়াত বিশেষ অৰিহণা যোগায়। অতীত অভিজ্ঞতা তথা শৈশৱৰ অভিজ্ঞতাইয়েহে যে অকল ব্যক্তি মনস্তত্ত্ব গঢ় দিয়ে এনে নহয়, সমাজ পৰম্পৰাত প্ৰচলিত বিভিন্ন ধৰণৰ মতাদৰ্শগত কাৰক, ঔচিত্যতাইও ব্যক্তি মনস্তত্ত্বক সুকীয়া ৰূপ দিয়ে। বিশেষকৈ প্ৰান্তীয় বিষয় তথা প্ৰান্তীয় চৰিত্ৰৰ মনস্তত্ত্ব গঢ় লোৱাত ই বিশেষ প্ৰভাৱ পেলায়। বহুসময়ত উপন্যাসসমূহত ব্যক্তিগত বিষয়সমূহৰ সমান্তৰালভাৱে সামাজিক প্ৰসংগসমূহেও চৰিত্ৰবোৰৰ মনস্তত্ত্ব গঢ় দিয়াত প্ৰভাৱ পেলোৱা দেখা গৈছে। বিশেষকৈ প্ৰান্তীয়কৃত চৰিত্ৰবোৰৰ সামাজিক, সমাজ-ৰাজনৈতিক যি প্ৰেক্ষাপট সেই প্ৰেক্ষাপটে তেওঁলোকৰ আচাৰ-আচৰণত প্ৰভাৱ পেলোৱা দেখা গৈছে। সেয়েহে উপন্যাসমূহত সমাজ-মনস্তাত্ত্বিক দিশ এটি বিষয়লৈ পৰিণত হৈছে।

ঘ) মণিকুন্তলা ভট্টাচাৰ্যৰ উপন্যাসসমূহত সম্পৰ্কৰ জটিলতা অন্যতম এক গুৰুত্বপূৰ্ণ বিষয় হৈ পৰা দেখা গৈছে। উপন্যাসসমূহত প্ৰধানভাৱে স্বামী-স্ত্ৰী, মাতৃ-সন্তানৰ মাজত সম্পৰ্কৰ জটিলতাৰ সৃষ্টি হৈছে। সম্পৰ্কৰ জটিলতাই চৰিত্ৰসমূহৰ মনস্তত্ত্বক প্ৰভাৱিত কৰাৰ লগতে

তেওঁলোকৰ স্বাভাৱিক জীৱন যাত্ৰাত ব্যাঘ্যাত জন্মাইছে। উপন্যাসসমূহত সম্পৰ্কৰ জটিলতাৰ আঁৰত সন্তানৰ প্ৰসংগই বিশেষভাৱে ক্ৰিয়া কৰিছে। সন্তানৰ বাবেই স্বামী-স্ত্ৰীৰ সম্পৰ্কত সংঘাত আহিছে। স্বামী-স্ত্ৰীৰ বিচ্ছেদৰ কাৰণো হৈ পৰিছে সন্তান।

ঙ) ইয়ুঙে কোৱাৰ লেখিয়াকৈ ব্যক্তি মনস্তত্ত্ব নিৰ্মাণত তথা এটা শ্ৰেণী বা এখন সমাজৰ সামগ্ৰিক মনস্তত্ত্ব নিৰ্মাণত বিভিন্ন সমাজ-ৰাজনৈতিক কাৰকে প্ৰভাৱ পেলায়। উপন্যাসসমূহতো উপস্থাপিত হোৱা বিভিন্ন প্ৰান্তীয়কৃত শ্ৰেণীৰ সমূহীয়া মনস্তত্ত্ব গঠনত্তে সমাজ-ৰাজনৈতিক মতাদৰ্শগত কাৰক কিছুমানে ক্ৰিয়া কৰি থকা পৰিলক্ষিত হৈছে। ফ্ৰয়েডে ব্যক্তিৰ ব্যক্তিগত মনস্তত্ত্বৰ প্ৰসংগৰ কথা কোৱাৰ বিপৰীতে ইয়ুঙে সমাজতাত্ত্বিক দৃষ্টিভংগীৰে মনস্তত্ত্বক লক্ষ্য কৰিছে। নাৰী তথা অন্যান্য প্ৰান্তীয়কৃত শ্ৰেণীৰ উমৈহতীয়া মনস্তত্ত্ব গঠনত প্ৰভাৱ পেলোৱা সমাজ-ৰাজনৈতিক কাৰকসমূহে ব্যক্তি মনস্তত্ত্বক যে সমূহীয়া ৰূপত গঢ় দিয়ে সেয়া উপন্যাসসমূহত প্ৰতিপন্ন হৈছে। একেটা সমাজ-ৰাজনৈতিক প্ৰেক্ষাপটত বাস কৰা সকলো মানুহৰ মনস্তত্ত্বত কিছুমান সাদৃশ্যমূলক উপাদান দেখা যায়। সেয়েহে পুৰুষতান্ত্ৰিক ব্যৱস্থাই পুৰুষতান্ত্ৰিক সমাজত বাস কৰা সকলো নাৰীৰ মনস্তত্ত্ব গঢ় দিয়াত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

চ) ফ্ৰয়েডে কোৱাৰ লেখিয়াকৈ সপোনৰ প্ৰসংগ বহুপৰিমাণে মণিকুন্তলা ভট্টাচাৰ্যৰ উপন্যাসত পোৱা যায়। সেই সপোনবোৰৰ জৰিয়তে বা সপোনবোৰৰ বিষয়বস্তুৰ জৰিয়তে চৰিত্ৰৰ মনোজগতৰ বিভিন্ন উমান পাব পৰা গৈছে। উপন্যাসসমূহত প্ৰকাশিত বিষয়বস্তু আৰু সুপ্ত বিষয়বস্তু এই দুই ধৰণেই সপোনৰ ৰূপায়ণ কৰা হৈছে। সপোনৰ বিষয়বস্তুক উপস্থাপন কৰাৰ ক্ষেত্ৰত ফ্ৰয়েডে যি ঘনীকৰণ, স্থানান্তৰকৰণ আৰু প্ৰতীকিকৰণ পন্থাৰ কথা কৈছে তাৰ আধাৰত উপন্যাসসমূহত সপোনৰ বিশ্লেষণ কৰা সম্ভৱ হৈ উঠিছে।

ছ) মণিকুন্তলা ভট্টাচাৰ্যৰ উপন্যাসসমূহৰ চৰিত্ৰৰ মনস্তাত্ত্বিক বিশ্লেষণ কৰি বহুকেইটা সিদ্ধান্তত উপনীত হ'ব পৰা যায়। তেওঁৰ উপন্যাসৰ চৰিত্ৰসমূহে কিছুমান অস্বাভাৱিক আচৰণ কৰা পৰিলক্ষিত হৈছে। ইয়াৰ অন্তৰালত মনস্তাত্ত্বিক কাৰক কিছুমানে ক্ৰিয়া কৰি আছে। চৰিত্ৰসমূহ একাকীত্ব, মানসিক দ্বন্দ্বত ভোগা পৰিলক্ষিত হৈছে। চৰিত্ৰসমূহৰ জৈৱিক তাড়না আৰু নৈতিকতাৰ মাজত দ্বন্দ্বৰ সৃষ্টি হৈছে। চৰিত্ৰসমূহ মৃত্যুস্পৃহা আৰু জীৱনস্পৃহাৰদ্বাৰা পৰিচালিত। আভ্যন্তৰীণ জগত আৰু বাহ্যিক জগতৰ লগত সহাৱস্থান কৰিব নোৱাৰা চৰিত্ৰসমূহে অতীত স্মৃতিৰ আশ্ৰয় লৈছে। এইবোৰৰ মাজতো কিন্তু বহুকেইটা দিশত চৰিত্ৰৰ মানসিক উত্তৰণ ঘটিছে।

জ) মণিকুন্তলা ভট্টাচাৰ্যৰ উপন্যাসত শ্লোগানধৰ্মী নাৰীবাদী চেতনা অনুপস্থিত। তেওঁৰ উপন্যাসত নাৰী চেতনাৰ সমান্তৰালভাৱে মানৱতাবাদী চেতনা গুৰুত্বপূৰ্ণ। সমাজৰ প্ৰান্তীয়কৃত শ্ৰেণীৰ চৰিত্ৰবোৰক আনি তেওঁলোকৰ মনস্তাত্ত্বিক জটিল স্পৰ্শকাতৰ প্ৰসংগসমূহ তুলি ধৰাত ঔপন্যাসিকা সফল হৈছে। সেয়েহে উপন্যাসসমূহত নাৰী চেতনাৰ প্ৰকাশক আমি নুই কৰিব নোৱাৰোঁ।প্ৰান্তীয়কৃত নাৰী চৰিত্ৰসমূহৰ মানসিক, সামাজিক, সাংস্কৃতিক চেতনাৰ যি স্পৰ্শকাতৰতা তথা জটিলতা তাক উপন্যাসসমূহত স্পষ্টৰূপত তুলি ধৰিছে। তদুপৰি ক'ৰবাত যদি পুৰুষো নিৰ্যাতিত হৈছে সেই নিৰ্যাতিত পুৰুষৰ ছবিও উপস্থাপন কৰিবলৈ তেওঁ কুণ্ঠাবোধ কৰা নাই। গতিকে তেওঁক নাৰীবাদী ঔপন্যাসিকা বোলাতকৈ মানৱতাবাদী দৃষ্টিকোণেৰেহে আমি চাব পাৰোঁ। মানৱতাবাদী, সংবেদনশীলতা তেওঁৰ উপন্যাসৰ অন্যতম প্ৰধান বিশেষত্ব।

ঝ) মণিকুন্তলা ভট্টাচাৰ্যৰ উপন্যাসত কিছু বিশেষ ধৰণৰ প্ৰতীক, চিত্ৰকল্প, ৰূপাংগ, উপকাহিনী আদিৰ ব্যৱহাৰ আমি দেখিবলৈ পাইছো। এই প্ৰতীক, চিত্ৰকল্প, ৰূপাংগ, উপকাহিনীসমূহৰ ব্যৱহাৰ কেৱল শৈলীগত দিশৰপৰাই গুৰুত্বপূৰ্ণ নহয়, চৰিত্ৰ তথা বিষয়ৰ মনস্তাত্ত্বিক দিশসমূহৰ উমান পোৱাৰ ক্ষেত্ৰতো ই গুৰুত্বপূৰ্ণ। এইবোৰে প্ৰতীকাত্মক ৰূপত বিষয় তথা চৰিত্ৰৰ মনস্তত্ত্বৰ স্পষ্ট ইংগিত বহন কৰে। ইয়াৰোপৰি উপন্যাসৰ কাহিনী তথা চৰিত্ৰৰ মনস্তাত্ত্বিক বৰ্ণনাৰ ক্ষেত্ৰত ঠায়ে ঠায়ে কথকৰ মনস্তাত্ত্বিক দিশৰো উন্মেষ ঘটিছে।

ঞ) মণিকুন্তলা ভট্টাচাৰ্যৰ উপন্যাসসমূহ লেখকৰ ব্যক্তিত্ব, লেখকৰ মনস্তাত্ত্বিক প্ৰসংগসমূহৰপৰা আঁতৰাই আলোচনা কৰিব পৰা নাযায়। আমাৰ অধ্যয়নে এইটো স্পষ্ট কৰিছে যে পাঠসমূহ লেখকৰ মনস্তাত্ত্বিক প্ৰসংগসমূহ বা লেখকৰ ব্যক্তিত্ব ইত্যাদিবোৰৰ দ্বাৰা প্ৰভাৱিত হৈছে। চৰিত্ৰসমূহৰ উপস্থাপনৰ ক্ষেত্ৰত লেখিকাই প্ৰদৰ্শন কৰা যিটো ব্যক্তিগত সংবেদনশীলতা লেখিকাৰ নিজৰ দৃষ্টিৰেই সেইটোৱে তেওঁৰ উপন্যাসৰ মনস্তাত্ত্বিক দিশৰ অন্যতম এটা প্ৰধান নিদৰ্শন।পাঠৰ সংগ্ৰহন প্ৰক্ৰিয়াটো পাঠককেন্দ্ৰিক। সাম্প্ৰতিক প্ৰেক্ষাপটত পাঠৰ অৰ্থ নিৰূপণ কৰাত পাঠকৰ ভূমিকা অন্যতম। সেইগতিকে পাঠকক এটা নিষ্ক্ৰিয় উপাদান বুলি নাভাবি বিচাৰ কৰি আমি দেখিছোঁ যে পাঠৰ অৰ্থ নিৰূপন আৰু সংগ্ৰহনৰ সামগ্ৰিক প্ৰক্ৰিয়াটোত পাঠকৰ মনস্তত্ত্বই এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। ঔপন্যাসিকাই বিভিন্ন স্পৰ্শকাতৰ সামাজিক প্ৰসংগক উপন্যাসসমূহত তুলি ধৰিছে। সেই গতিকেই বিভিন্ন শ্ৰেণীক প্ৰতিনিধিত্ব কৰা পাঠকসকলৰ সামাজিক-ৰাজনৈতিক প্ৰেক্ষাপট আৰু মনস্তাত্ত্বিক অৱস্থাইও আচলতে পাঠটোৰ অৰ্থ নিৰূপনত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে।

**ভৱিষ্যৎ অধ্যয়নৰ সম্ভাৱনীয়তা ঃ**

আমাৰ গৱেষণা বিষয়টোৱে ভৱিষ্যৎ অধ্যয়নৰ বাবে বহুকেইটা দিশ মুকলি কৰিছে। মনস্তত্ত্ব সম্পৰ্কীয় অধ্যয়নসমূহ এতিয়াও ব্যক্তিগত মনস্তত্ত্বৰ অধ্যয়নৰ মাজতে সীমিত হৈ আছে। ফ্ৰয়েডে ব্যক্তিগত মনস্তত্ত্ব সম্পৰ্কত আগবঢ়োৱা তত্ত্বসমূহৰ ওপৰত ভিত্তি কৰিয়েই উপন্যাস, চুটিগল্প আদি সৃষ্টিশীল সাহিত্যৰ মনস্তাত্ত্বিক অধ্যয়ন কৰি থকা পৰিলক্ষিত হৈছে। মনস্তত্ত্ব কেৱল ব্যক্তিগত মনস্তত্ত্বৰ মাজতেই সীমাবদ্ধ নহয়। ইয়ুঙে ব্যক্তি মনস্তত্ত্বৰ আন এটি দিশ উন্মোচন কৰিছে। সেয়া হৈছে সমূহীয়া বা উমৈহতীয়া মনস্তত্ত্ব। বিভিন্ন প্ৰসংগ তথা পৰিৱেশ-পৰিস্থিতি ক্ৰমে ব্যক্তি মনস্তত্ত্বই উমৈহতীয়া ৰূপ লাভ কৰে। আমাৰ গৱেষণা গ্ৰন্থখনত ব্যক্তিৰ ব্যক্তিগত মনস্তত্ত্বৰ সমান্তৰালভাৱে সমূহীয়া মনস্তাত্ত্বিক দিশৰো আলোচনা আগবঢ়োৱা হৈছে। ইয়ে সাহিত্যৰ মনস্তাত্ত্বিক অধ্যয়নৰ এটি নতুন দৃষ্টিভংগীৰ সূচনা কৰিব।

যৌন প্ৰবৃত্তি হৈছে ব্যক্তিৰ এক স্বাভাৱিক প্ৰবৃত্তি। যৌন প্ৰবৃত্তি অৱদমনৰ ফলত ব্যক্তি বিভিন্নধৰণৰ মানসিক জটিলতাৰ বশৱৰ্তী হ'বলগীয়া হয়। তাৰোপৰি এইধৰণৰ বিষয়সমূহ সমাজত মুকলিকৈ আলোচনা নোহোৱাৰ ফলত তথা উপযুক্ত সময়ত এইবোৰ বিষয়ৰ প্ৰয়োজনীয় শিক্ষা প্ৰদান নকৰাৰ ফলস্বৰূপে সমাজত বিভিন্নধৰণৰ অপ্ৰীতিকৰ ঘটনা সংঘটিত হোৱা পৰিলক্ষিত হয়। সমাজে ঔচিত্যতা প্ৰদান নকৰাৰ ফলত গুৰুত্বহীনতাত ভোগা যৌন প্ৰসংগৰ লগত জড়িত এটি বিষয় হৈছে সমকামিতা। বিপৰীত-লিংগকামিতাৰ দৰেই সমকামিতাও ব্যক্তিৰ এক প্ৰাকৃতিক যৌন আচৰণ। জিন, হৰমন, পৰিৱেশগত কাৰকৰ প্ৰভাৱ বা জটিল আন্তঃক্ৰিয়াৰ ফলত কিছুসংখ্যক ব্যক্তিৰ এনেধৰণৰ চৰিত্ৰ গঠন হোৱাৰ কথা বিজ্ঞানীসকলে ধাৰণা কৰিছে। মহিলা সমকামীসকলক বুজাবলৈ 'লেচবিয়ান'(Lesbian) আৰু পুৰুষ সমকামীসকলক বুজাবলৈ 'গে' (Gay) অভিধা দুটা ব্যৱহাৰ কৰা হয়। মনস্তাত্ত্বিক দৃষ্টিকোণেৰে সমকামিতা বিপৰীত-লিংগকামিতাৰ পৰিপূৰক। ঊনবিংশ শতিকাৰ শেষভাগত সমকামিতাক সামাজিক স্বীকৃতি প্ৰদানৰ দাবীত সমগ্ৰ বিশ্বতে আন্দোলনৰ সূত্ৰপাত হয়। সমকামীসকলক ন্যায় প্ৰদানৰ উদ্দেশ্যে সমকামী সম্পৰ্কক আইনীভাৱে স্বীকৃতি প্ৰদান কৰিলেও সামাজিক স্বীকৃতি প্ৰদানত এতিয়াও দ্বিধাবোধ থকা পৰিলক্ষিত হয়। ভাৰতবৰ্ষৰ দৰে উন্নয়নশীল দেশত বিশেষভাৱে অসমৰ প্ৰসংগত এইষাৰ কথা বিশেষভাৱে প্ৰযোজ্য। অসমত বৰ্তমানেও সমকামীসকলে সামাজিক স্বীকৃতিৰ যুঁজত সমাজ তথা পৰিয়ালৰ ওচৰত হাৰ মানি আত্মহত্যাৰ পথ লোৱাৰ ঘটনাও আমাৰ অজ্ঞাত নহয়। সমাজ তথা পৰিয়ালে ঔচিত্যতা প্ৰদান নকৰাৰ বাবেই নিজৰ ইচ্ছাকাংক্ষাক গোপনে প্ৰতিপালন কৰিবলগীয়া হোৱা সমকামীসকলৰ

মনস্তত্ত্বই জটিল ৰূপ ধাৰণ কৰে। এনেদৰেই পৰম্পৰাগত সমাজ ব্যৱস্থাত চেতন-অৱচেতন মনৰ দ্বন্দ্বত ভাৰাক্ৰান্ত এইসকল লোকে লোকচক্ষুৰ আঁৰ লৈ নিজৰ ক্ষুধা চৰিতাৰ্থ কৰিব যোৱাত বিভিন্নধৰণৰ অপৰাধপ্ৰৱণতাৰো জন্ম হয়। সমকামীসকলক স্বাভাৱিক নায্যতা প্ৰদান কৰি যিধৰণে আলোচনা বা গ্ৰন্থাদি প্ৰকাশ পাব লাগিছিল সেই হিচাপত হোৱা নাই। মানুহে এতিয়াও এইধৰণৰ কথা মুকলিকৈ আলোচনা কৰাৰ পৰা বিৰত থাকে। আমাৰ গৱেষণা গ্ৰন্থখনত মনস্তাত্ত্বিক দৃষ্টিভংগীৰে এনেধৰণৰ স্পৰ্শকাতৰ বিষয় তুলি ধৰাৰ চেষ্টা কৰা হৈছে। ইয়াৰ জৈৱিক, সামাজিক, ৰাজনৈতিক প্ৰসংগসমূহৰ আলোচনা কৰাৰ সম্ভাৱনা আছে। বিদ্যায়তনিক ক্ষেত্ৰত তথা বৌদ্ধিক ক্ষেত্ৰত এনেধৰণৰ আলাপ-আলোচনাক নুই কৰিব পৰা নাযায়। ভৱিষ্যতে গৱেষকসকলে গৱেষণাৰ ক্ষেত্ৰত এনেধৰণৰ প্ৰসংগসমূহ উত্থাপন কৰাৰ সম্ভাৱনা আছে।

সাহিত্যত মনস্তাত্ত্বিক প্ৰসংগক লৈ ইতিমধ্যে হৈ অহা আলোচনাসমূহত বিষয়বস্তু তথা চৰিত্ৰৰ মনস্তাত্ত্বিক তাৎপৰ্যকে অগ্ৰাধিকাৰ প্ৰদান কৰা হয়। ইয়াৰ সমান্তৰালভাৱে সাহিত্যত ব্যৱহৃত আংগিক আৰু কলা-কৌশলৰো মনস্তাত্ত্বিক তাৎপৰ্য নুই কৰিব পৰা নাযায়। মনস্তত্ত্ব সম্বলিত সাহিত্যত ব্যৱহৃত আংগিক আৰু কলা-কৌশলেও মনস্তাত্ত্বিক অধ্যয়নৰ গুৰুত্ব লাভ কৰে। আমাৰ গৱেষণা বিষয়টোত মণিকুন্তলা ভট্টাচাৰ্যৰ নিৰ্বাচিত উপন্যাসৰ বিষয়বস্তু আৰু চৰিত্ৰৰ সমান্তৰালভাৱে আংগিক আৰু কলা-কৌশলৰো মনস্তাত্ত্বিক দৃষ্টিভংগীৰে বিশ্লেষণ কৰা হৈছে। লাঁকাই মনস্তত্ত্ব সম্পৰ্কত আগবঢ়োৱা সূত্ৰৰ আধাৰত ভাষাৰ মনস্তাত্ত্বিক অধ্যয়ন কৰাৰ লগতে ইয়াত উপন্যাসসমূহৰ কথকৰ মনস্তাত্ত্বিক দিশো উন্মোচন কৰা হৈছে। গতিকে ভৱিষ্যতে ভাষা আৰু আংগিকৰ মনস্তাত্ত্বিক তাৎপৰ্য সম্পৰ্কত আৰু স্বতন্ত্ৰ গৱেষণাৰ থল আছে।

সৃষ্টিশীল সাহিত্যৰপৰা লেখকক বিচ্ছিন্ন কৰিব নোৱাৰি। পাঠৰ অৰ্থ নিৰূপনৰ সামগ্ৰিক প্ৰক্ৰিয়াটোত লেখক অন্যতম প্ৰসংগ সূত্ৰ। সেইগতিকে লেখকৰ দৃষ্টিৰে পাঠ বা লেখকৰ লগত সম্পৰ্ক ৰাখি পাঠৰ অধ্যয়ন কৰিলে পঠনৰ ক্ষেত্ৰত কিছু নতুন সম্ভাৱনা মুকলি কৰিব। সেয়েহে আমাৰ গৱেষণা গ্ৰন্থখনত লেখকৰ প্ৰসংগক অধ্যয়নৰ বাবে গ্ৰহণ কৰা হৈছে। ইতিমধ্যে কাফ্‌কা, ভাৰ্জিনিয়া উলফ্ আদি সাহিত্যিকৰ ৰচনাৰ এইধৰণৰ আলোচনা হৈছে। কাফ্‌কাৰ পিতৃৰ সৈতে সম্পৰ্কৰ যি জটিলতা সেই জটিলতাই তেওঁৰ প্ৰায়কেইখন সৃষ্টিশীল ৰচনাতে প্ৰকাশ লাভ কৰিছে। ঠিক একেদৰে ভাৰ্জিনিয়া উলফে শৈশৱতে সন্মুখীন হোৱা যৌন নিৰ্যাতনৰ বাবে তেওঁৰ উপন্যাসৰ চৰিত্ৰসমূহ নিৰাপত্তাহীনতাত ভুগিছে। ঔপন্যাসিকাৰ শৈশৱতে অন্তৰত সৃষ্টি হোৱা ৰিক্ততা, নিৰাপত্তাহীনতাই উপন্যাসৰ চৰিত্ৰৰ মাজেৰে প্ৰকাশ লাভ কৰাৰ কথা পৰৱৰ্তী সমালোচকসকলে

কৈছে। গৱেষণা গ্ৰন্থৰ ষষ্ঠ অধ্যায়ত এই সম্পৰ্কে আলোচনা কৰা হৈছে। ইয়াৰপৰা সামগ্ৰিকভাৱে দেখা যায় যে আপাততঃ কৰি থকা বিষয়বস্তু, চৰিত্ৰ, আংগিক প্ৰসংগসমূহৰ বাহিৰেও পাঠৰ অন্তৰালত নিহিত হৈ থকা লেখকৰ মনস্তাত্ত্বিক প্ৰসংগৰ অধ্যয়নো গুৰুত্বপূৰ্ণ। লেখকৰ মনস্তাত্ত্বিক প্ৰসংগেৰে সাহিত্যিক পাঠৰ বিশ্লেষণ অসমীয়া সাহিত্যত খুবেই কম। বহুসময়ত লেখকে পাঠৰপৰা সুবিধাজনক দূৰত্বত অৱস্থান কৰে। লেখক কোনো দৈৱ সত্তা নহয়। লেখকো দৰাচলতে আৱেগ-অনুভূতিপূৰ্ণ মানুহ। গতিকে লেখকৰো শৈশৱৰ অভিজ্ঞতা, অৱদমিত আশা-আকাংক্ষা থাকে আৰু সেইবোৰৰ প্ৰভাৱ তেওঁৰদ্বাৰা সৃষ্ট সাহিত্যকৰ্মত নপৰাকৈ নাথাকে। লেখকৰ প্ৰসংগেৰে সাহিত্যৰ অধ্যয়ন সাহিত্য আলোচনাৰ এটা নতুন দিশ তথা মুকলিমূৰীয়া গণতান্ত্ৰিক পৰিকাঠামোৰ সৃষ্টি হয়তো অসমত কৰিব। সেইগতিকে এনেধৰণৰ কথাবোৰৰ বিদ্যায়তনিক আলোচনাৰ খুবেই প্ৰয়োজন। কিছু পৰিমাণে এনেবোৰ প্ৰসংগ মণিকুন্তলা ভট্টাচাৰ্যৰ উপন্যাসৰ আলোচনাৰ ক্ষেত্ৰত আমাৰ গৱেষণা গ্ৰন্থখনত সন্নিৱিষ্ট কৰা হৈছে। ভৱিষ্যতে অসমীয়া সাহিত্যৰ সামগ্ৰিক আলোচনাত এনেধৰণৰ প্ৰসংগসমূহে নতুন বিদ্যায়তনিক সম্ভাৱনাৰ পথ মুকলি কৰিব।

পাঠৰ সৈতে জড়িত আন এটি প্ৰধান প্ৰসংগ হৈছে পাঠক। পাঠৰ সৈতে লেখক সংপৃক্ত হৈ থকাৰ দৰে পাঠকো সংপৃক্ত হৈ থাকে। আমাৰ গৱেষণা গ্ৰন্থখনত পাঠকৰ মনস্তাত্ত্বিক প্ৰসংগকো অধ্যয়নৰ আওঁতালৈ অনা হৈছে। ইয়ে পাঠৰ এৰাব নোৱাৰা প্ৰসংগতাক প্ৰতিপন্ন কৰিছে। গতিকে পাঠকৰ দৃষ্টিকোণেৰেও পাঠৰ বিশ্লেষণৰ বিষয়টোৱে পাঠৰ অধ্যয়নৰ ক্ষেত্ৰত ভৱিষ্যতে নতুন নতুন সম্ভাৱনাৰ সৃষ্টি কৰিব।

মণিকুন্তলা ভট্টাচাৰ্যৰ উপন্যাসত সমাজৰ প্ৰান্তীয় বিষয়, যেনে— নাৰী, এইড্‌ছ, সমকামিতা, ডাইনী হত্যা আদিক  বিষয়বস্তুৰূপত অগ্ৰাধিকাৰ প্ৰদান কৰা হৈছে। যাৰফলত এইধৰণৰ প্ৰান্তীয়কৃত বিষয়সমূহেও গুৰুত্বতা লাভ কৰিছে। আমাৰ গৱেষণা গ্ৰন্থখনত মনস্তাত্ত্বিক দিশৰপৰা এই বিষয়সমূহৰ আলোচনা কৰা হৈছে যদিও এইবোৰ বিষয়ৰ আন আন প্ৰসংগেৰে আলোচনা কৰাৰ অৱকাশ নথকা নহয়। মণিকুন্তলা ভট্টাচাৰ্যৰ উপন্যাসত প্ৰতিফলিত সমাজ বাস্তৱতা, সামাজিক মূল্যবোধৰ বিচাৰ, নাৰী  চেতনা, ভাষা, আদি বিভিন্ন প্ৰসংগৰে উপন্যাসৰ পৰৱৰ্তী আলোচনাৰ বাট মুকলি হৈ আছে।